# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-11-2024
**Time :** 21-25 Hrs

## *Assamese Night Bulletin*
***:::::::::::::::::::::::::::::::***

চিৰাং জিলাৰ ভূটান সীমান্তৱৰ্ত্তী অঞ্চল আৰু কোকৰাঝাৰ জিলাত শেহতীয়াকৈ হোৱা মেলেৰিয়া ৰোগৰ প্ৰাদুৰ্ভাৱজনিত পৰিস্থিতি সন্দৰ্ভত পৰ্যালোচনা কৰিবলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ মৰ্মে মন্ত্ৰী কেশৱ মহন্তই আজি জিলা দুখন  ভ্ৰমণ কৰে। মন্ত্ৰীগৰাকীয়ে চিৰাং জিলাৰ সদৰ কাজলগাঁৱত থকা জিলা অসামৰিক চিকিৎসালয়ত স্বাস্থ্য বিভাগৰ বিষয়াসকলৰ সৈতে পৰিস্থিতি পৰ্যালোচনা কৰি মেলেৰিয়া প্ৰতিৰোধৰ জৰুৰী ব্যৱস্থা সন্দৰ্ভত আলোচনা কৰে। এই আলোচনাত বি টি আৰৰ কাৰ্যবাহী সদস্য ধনঞ্জয় বসুমতাৰী, বি টি আৰৰ মুৰব্বীৰ উপদেষ্টা উত্তম নাৰ্জাৰীৰ উপৰি স্বাস্থ্য বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

মন্ত্ৰী শ্ৰী মহন্তই কোকৰাঝাৰৰ বি টি আৰ সচিবালয়ত আজি বি টি আৰ প্ৰশাসন, স্বাস্থ্য বিভাগ আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ বিষয়াসকলৰ সৈতে এই সন্দৰ্ভত এখন বৈঠকত মিলিত হয়। জিলাখনৰ সৰলপাৰা, উল্টাপানী আদি অঞ্চলত মেলেৰিয়াৰ প্ৰাদুৰ্ভাৱ নিয়ন্ত্ৰণৰ লগতে অন্য অঞ্চললৈ সংক্ৰমণৰ আশংকা দূৰ কৰাৰ বাবে ল'বলগীয়া ব্যৱস্থা সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে আলোচনা কৰে।

oooooooo

নিম্ন আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ নিয়মীয়া শিক্ষক পদৰ বাবে প্ৰকাশিত বিজ্ঞাপন অনুসৰি আবেদন কৰা বিশেষভাৱে সক্ষম প্ৰাৰ্থীসকলৰ নথি-পত্ৰ পৰীক্ষা অহা ৩ ডিচেম্বৰৰ পৰা কৰা হ'ব। গুৱাহাটীৰ কাহিলীপাৰাৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ প্ৰেক্ষাগৃহত এই নথিসমূহ পৰীক্ষা কৰা হ'ব। আজি প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে এখন জাননী জাৰি কৰি এই বিষয়ে প্ৰকাশ কৰে। এই অনুসৰি দিনৰ ১১ বজাৰ পৰা হ'বলগীয়া নথি পৰীক্ষণ প্ৰক্ৰিয়াত শৈক্ষিক প্ৰমাণপত্ৰ, বৃত্তিগত অৰ্হতাৰ প্ৰমাণপত্ৰকে ধৰি অন্যান্য যাৱতীয় নথিৰ সৈতে প্ৰাৰ্থীসকলক উপস্থিত থাকিবলৈ কোৱা হৈছে। আবেদন কৰা বিশেষভাৱে সক্ষম প্ৰাৰ্থীসকলৰ তালিকা dee.assam.gov.in ৱেবছাইটত পোৱা যাব বুলি জাননীখনত উল্লেখ কৰা হৈছে। উল্লেখযোগ্য যে অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে নিম্ন আৰু উচ্চ প্ৰাথমিকৰ পাঁচ হাজাৰ ৫৫০টা শিক্ষক পদৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰিছিল।

oooooooo

চিৰাং জিলাৰ বিজনী মহকুমা ন্যায়ীক আদালতৰ অতিৰিক্ত জিলা আৰু ছেচন ন্যায়াধীশে আজি ৩৪ বছৰ পুৰণি এটা গোচৰৰ শুনানি গ্ৰহণ কৰি দুজন অভিযুক্তক যাৱজ্জীৱন কাৰাদণ্ডৰ ৰায় দিয়ে। আন এটা গোচৰত আদালতে দুজন অভিযুক্তক যাৱজ্জীৱন কাৰাদণ্ড আৰু এজনক ৭ বছৰৰ কাৰাদণ্ডৰ ৰায় দিয়ে। উল্লেখযোগ্য যে ১৯৮৯ চনত বিজনীৰ দুই নম্বৰ লক্ষীঝৰাৰ সহদেৱ মণ্ডল নামৰ এজন লোকৰ ঘৰত ডকাইটি আৰু পৰিয়ালটোৰ

এগৰাকী মহিলাক গুলীয়াই হত্যাৰ ঘটনাৰ গোচৰত আজি দুজন অভিযুক্ত শংকৰ ৰাজবংশী আৰু ৰণজিৎ ৰাজবংশীক আদালতে যাৱজ্জীৱন কাৰাদণ্ডৰ শাস্তি বিহাৰ ৰায় দিয়া হয়। আনহাতে এটা পৃথক গোচৰত অপহৰণ আৰু হত্যাৰ অভিযোগত মজিদ আলী আৰু জাকিৰ হুছেইন নামৰ দুজন অভিযুক্তক যাৱজ্জীৱন কাৰাদণ্ডৰ ৰায় দিয়া হয়। এই লোক দুজনে ২০১৪ চনত বঙাইগাঁৱৰ ৰামভৰ যাদৱ নামৰ এজন লোকক প্ৰৱঞ্চনা কৰি দুই লাখ টকা আদায় কৰাৰ লগতে অপহৰণ কৰি নি হত্যা কৰিছিল। এই ঘটনাত অভিযুক্ত আছমত আলী নামৰ আন এজন লোকক ৭ বছৰৰ কাৰাদণ্ড বিহা হয়।

oooooooo

মৰিগাঁও জিলাৰ ভূৰাগাঁৱত আজি বাল্য বিবাহ মুক্ত ভাৰত অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। বাল্য বিবাহ ৰোধৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰা কোচিং লোকমঞ্চৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত আয়োজিত অনুষ্ঠানত কোচিং লোকমঞ্চৰ মৰিগাঁও জিলা সমন্বয়ক মৈত্ৰেয়ী শইকীয়াই ভাষণ দিয়ে। অনুষ্ঠান জিলা আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাসে এই অভিযানৰ তাৎপৰ্য ব্যাখ্যা কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, আশাকৰ্মী, অংগনবাড়ী কৰ্মীৰ লগতে বহু লোক উপস্থিত থাকে।

oooooooo

দেশৰ অন্যান্য স্থানৰ লগতে চৰাইদেউ জিলাৰ যোৱা পহিলা নৱেম্বৰৰ পৰা একবিংশ পশুধন পিয়ল অনুষ্ঠিত হৈছে। জিলাখনৰ ৩৩ গৰাকী গণনাকাৰীয়ে প্ৰতিখন গাঁও তথা পৌৰ সভাৰ প্ৰতিটো ৱাৰ্ডত পৰিয়ালৰ ঘৰে ঘৰে গৈ পশুধন আৰু হাঁহ-কুকুৰাৰ তথ্য সংগ্ৰহ কৰি আছে। প্ৰতিগৰাকী গণনা কাৰীয়ে তিনি হাজাৰ ৩০০টাকৈ বাসগৃহত পশুধনৰ পিয়ল কৰিব।

oooooooo

কৃষিখণ্ডৰ সৰ্বাংগীন উত্তৰণৰ হকে ৰাজ্য চৰকাৰে কৃষি বিভাগে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। খাৰিফ বিপণন ঋতু ২০২৪-২৫ বৰ্ষত প্ৰতি কুইণ্টলত ন্যূনতম সমৰ্থন মূল্য ২ হাজাৰ ৩০০ টকাত কৃষকৰ পৰা ধান ক্ৰয়ৰ ব্যৱস্থা কৰা হৈছে। ডিচেম্বৰ মাহৰ প্ৰথম সপ্তাহত ধান ক্ৰয়ৰ ব্যৱস্থা আৰম্ভ হ'ব। এই ব্যৱস্থাৰ জৰিয়তে উপকৃত হ'বলৈ কৃষকসকলক জিলা কৃষি বিষয়া অথবা কৃষি উন্নয়ন বিষয়াৰ সৈতে যোগাযোগ কৰিবলৈ কৃষি মন্ত্ৰী অতুল বৰাই আহ্বান জনাইছে।

oooooooo

তামুলপুৰ জিলাৰ আয়ুক্ত কাৰ্যালয়ত আজি জিলাখনৰ প্ৰশাসনৰ উদ্যোগত দুগ্ধ উৎপাদন আৰু কৃষি সংযুক্ত খণ্ড বিষয়ক এখন কৰ্মশালা অনুষ্ঠিত হয়। জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে এই দুয়োটা খণ্ডৰ উন্নয়নৰ ক্ষেত্ৰত কৃষকসকলক উৎসাহিত কৰি সামূহিকভাৱে কাম কৰিবলৈ আহ্বান জনায়। তেওঁ এই বৈঠকতে দুগ্ধ পালক তথা সমবায় খণ্ডৰ উন্নয়নৰ ক্ষেত্ৰত বিভিন্ন বিভাগৰ সহযোগিতা কামনা কৰে। তেওঁ গ্ৰাম্য অৰ্থনীতি, গো-পালন তথা কৃষি খণ্ডৰ গুৰুত্ব সম্পৰ্ক আলোকপাত কৰে।

oooooooo

অসমৰ সংগীত পৰিচালক তথা দক্ষ মাউথ অৰ্গেনবাদক মানিক বৰাৰ আজি দেহাৱসান ঘটে। বাৰ্ধক্যজনিত কাৰণত গোলাঘাটৰ নিজা বাসভৱনত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। শিল্পীগৰাকীৰ মৃত্যুত গোলাঘাটত শোকৰ ছাঁ পৰিছে।

০০০০০০০০০

**সমাপ্ত**